**বহনক্ষম বিকাশৰ বাবে - অবিৰাম বিকাশৰ অবিৰত খোজ**

**খণ্ড ৪**

**বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ; জনসংখ্যা বৃদ্ধি আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ**

**মানসী গোস্বামী**

**ঘোষণা আৰু শীৰ্ষক গীত**

**চৰিত্ৰসমূহ:**

১. প্ৰজন্ম – অষ্টম শ্ৰেণীৰ ছাত্ৰ। চহৰত থাকে।

২. সূৰুয- প্ৰজন্মৰ গাঁৱত থকা আত্মীয়ৰ সন্তান। প্ৰায় সমবয়সৰ।

৩. মানৱ তালুকদাৰ – প্ৰজন্মৰ পিতৃ। উচ্চপদস্থ বিষয়া।

৪. আকাংক্ষা তালুকদাৰ – প্ৰজন্মৰ মাতৃ। চাকৰিয়াল।

৫. ৰতন তালুকদাৰ – সুৰুযৰ পিতৃ। কৃষক, উদ্যোগী।

৬. সেউতী তালুকদাৰ - সূৰুযৰ মাতৃ। স্বাৱলম্বী মহিলা। ‘প্ৰকৃতি’ আত্মসহায়ক গোটৰ সভানেত্ৰী।

**(প্ৰথম দৃশ্য: প্ৰজন্মৰ ঘৰৰ দৃশ্য। তিনিও এফালে যাবৰ বাবে প্ৰস্তুতি চলাইছে। বেকগ্ৰাউণ্ডত টিভি চলি থকাৰ শব্দ ভাঁহি থাকিব।)**

**মানৱ** – হেৰা, হ’ল নে তোমাৰ? হ’ল যদি মোক অলপতে লোৱা, ডিজাইনাৰ টাইডাল উলিয়াই দিয়া হে। এইযোৰা চুটৰ লগত বেছ মিলিব।

**আকাংক্ষা** – ৰ’বা ৰ’বা।এয়া লোৱা। তোমাৰ দেখোন হ’লেই। মোৰ হলে এতিয়াও অলপ বাকী। এই কাপোৰযোৰৰ লগত কোনটো পাৰ্চ লওঁ, কোনযোৰ চেণ্ডেল বেছি ভাল লাগিব, এতিয়াও ঠিক কৰিব পৰা নাই। মিকি, তোমাৰ হৈছে নে? ভিডিঅ’ গেমত লাগি আছা নেকি?

প্ৰজন্ম – মোৰ হৈছে মা কেতিয়াবাই।

আকাংক্ষা – হেৰা, গিফ্টটো গাড়ীত থোৱা হ’লনে নাই চোৱাচোন। দীপাক থ’বলৈ কৈছিলো।

মানৱ – সৱ ৰেডী। চিন্তা নকৰিবা। সোনকাল কৰা, নহ'লে ট্ৰেফিক জামত পৰিলে বহুত সময় নষ্ট হ'ব।

প্ৰজন্ম – মা, মই কিন্তু ভিডিঅ' গেম লৈ যাম। তোমালোকে ডাঙৰবোৰৰ লগত বিজি থাকিবা, মই এনেই ব'ৰ হ'ম।

মানৱ – অ'কে। নিবা। এতিয়া ব'লা ।

(তিনিও ওলাই যায়। কিছু পৰ গাড়ী চলাৰ শব্দ। আৰু আহি গাড়ী ৰোৱাৰ শব্দ। বিবাহবাহৰ। মানুহৰ কথা পতাৰ শব্দ। গান-বাজনা। কোলাহ'ল। কথোপকথন। বিয়াঘৰতেই তেওঁলোকে ৰতনক লগ পায়।

মানৱ – ৰতন দাদা। আহিলি। খোৱা-বোৱা কৰিছ'?

ৰতন – কৰিছো দে অ' মানব। কিনো খাবি। ইমান বিধে বিধে ব্যঞ্জন। নামেই নুফুটে মুখত। এইবোৰ আমাৰ গাঁৱৰ জিভাত নেলাগে পাই। চিনিও নেপাও। কোনোমতে পেটতো ভৰিল।

মানৱ – কি ক'বি। এই একোখন প্লেট মানে, এজন মানুহে খোৱাৰ বাবদ ৮০০-৯০০ টকাৰ খৰচ। পিছে, সেই গাঁৱৰ বিয়াৰ ভোজৰ সোৱাদটো আৰু সন্তুষ্টিটো নাহে। বাধ্য হৈ খাওঁ আৰু।

ৰতন – এইবোৰ দেখিলে, মানুহে যে খাবলৈ নোপোৱাকৈ আছে, ভাৱেই নহয়। মাছৰেই তিনি চাৰি-পদ আইটেম, কুকুৰা-পঠা মাংসৰো তৰহে তৰহে। আকৌ আহি পালেই খাবলৈ চাহ-কফি-পকৰি বাদেও, ফুচকা-চাট। অদৰকাৰী বাহ্যিকতা এইবোৰ। ইয়াৰ তিনিভাগৰ এভাগ খৰচত আমাৰ গোটেই গাঁৱৰ ৰাইজে দগৰি খালে হয়; এসাজ খাই এসাজ খাবলৈ নোপোৱাকেইঘৰৰ আৰ্শীবাদো পালেহেঁতেন!

মানৱ – নতুন ফেচন হৈছে এইবোৰ। যাৰ বিয়াত যিমান আইটেম, সি সিমানে ডাঙৰ, অভিজাত মানুহ। বাৰু বাদ দে, সেইবোৰ তই আমাৰ লগতে যাবি নহয়। তাতে থাকিবি ব'ল। ই, মিকিয়েও ভাল পাব তোক পালে।

(প্ৰজন্ম আহে।)

প্ৰজন্ম – অ' বৰদেউতা! বাহ! বঢ়িয়া। তোমাক আজি এৰাত নাই। আমাৰ ঘৰলে যাবই লাগিব। আৰু মোক সাধু ক'ব লাগিব। দেউতা, বৰতা যাবনে আমাৰ ঘৰলে?

মানৱ- যাব, যাব। চিন্তা কৰিব নালাগে। তুমি মাক বিচাৰি আনা যোৱা। আমি খালো। ভীৰ হোৱাৰ আগতেই যাওঁগে আৰু। দাদা, তয়ো তেওঁলোকক মাতষাৰ দি আহ।

(কেওজনে বিয়াঘৰৰ মানুহক মাত দি ওলাই আহে। গাড়ী ষ্টাৰ্ট হোৱাৰ শব্দ। কথা-বতৰা আৰম্ভ হয় গাড়ীতেই।)

আকাংক্ষা – দাদা, বৌ নাহিল যে। সূৰুযৰ স্কুল বন্ধ নহয় জানো? আহিব পাৰিলে হেঁতেন। আমাৰ মিকিয়ে অকল সুৰুযৰ কথাই কৈ থাকে। ইয়াত লগ বন্ধুও নাই নহয়।

ৰতন – এ, নকবা আৰু। তোমাৰ বৌৱেৰাৰ আজৰি নাই আজিকালি। আত্মসহায়ক গোটৰ কামত ব্যস্ত। তাতে, এনেকুৱা বিয়ালৈ অহা মানে যা-যোগাৰো কম নেকি। তাতকৈ তোমালোকেই ওলাবা এপাক আমাৰ ঘৰলৈ।

প্ৰজন্ম – য়েছ, য়েছ। বৰতাই বঢ়িয়া কথা কৈছে। আমি যাওঁ ব'লা না মা, বৰতাৰ ঘৰলৈ। মই কিন্তু থাকিম এইবাৰ।

মানৱ – পিছে, তোমাৰ চামাৰ প্ৰজেক্টৰ কি হ'ব? স্কুলত বন্ধত কৰিবলৈ কাম দিয়া নাই জানো?

প্ৰজন্ম – দিছে, কিন্তু তেনেকুৱা একো ডাঙৰ প্ৰজেক্ট নহয়। বন্ধৰ দিনকেইটাত মই দেখা বস্তুৰ অপচয়, মই শিকা নতুন কথাবোৰৰ চাৰ্ট বনাব দিছে।

ৰতন – বস্তুৰ অপচয়! অ' – তুমি দেখোন আজি তাৰ ভাল উদাহৰণ এটা দেখিয়েই আহিলা মিকি।

প্ৰজন্ম – ক'ত? মই বুজা নাই।

ৰতন – ক'ম ৰ'বা। ঘৰ গৈ পাই লওঁ। তোমাক বুজাম। আমি কথা পাতি থাকিলে তোমাৰ দেউতাৰ এই জামত গাড়ী চলোৱাত আমনি হ'ব নহয়।

মানৱ – উস! সঁচাকে দেই। ইমান মানুহনো ক'ৰ পৰা ওলাই জানো। ইমান গাড়ী। দিনে দিনে বাঢ়িছে গাড়ীসোপা। তাতে এই 'টেক্সি চাৰ্ভিচ' বোৰ অহাৰ পৰা সৰু সৰু গাড়ীৰ উৎপাতত ৰাষ্টাটোত গাড়ী উলিওৱাই সমস্যা হৈছে।

আকাংক্ষা – হয় দেই। থকাই টান হৈছে চহৰত। মানুহৰ সংখ্যা বাঢ়িয়েই আছে। বাছে-মটৰে উঠিবলৈকে ভয় লাগে আজিকালি। ইমান হেঁচা-থেলা। গাড়ীখন লৈ ওলাই গ'লেও পাৰ্কিঙ কৰাৰ সমস্যা। এই মিকিক স্কুলত থ'বলৈ যাওঁতেই কম হাৰা-শাস্তি হয়নে!

প্ৰজন্ম- মইতো কওঁৱেই, মোক স্কুলবাছত যাবলৈ দিয়া বুলি। তোমালোকেহে নিদিয়া। স্কুল-বাছত গ'লে এখন বাছতে ৩০-৪০ টা ষ্টুডেন্ট যাব পাৰি, মানে ৩০ খন গাড়ী ৰাস্তাত কমি যায়। এনেকৈ আমাক সিদিনা স্কুললৈ অহা বাইদেউ গৰাকীয়ে কৈছিল – এনভিছ কেন্দ্ৰৰ পৰা অহা। ৩০ খন গাড়ী কমা মানে তাত ব্যৱহাৰ হোৱা পেট্ৰল কমা, ধোঁৱা কমা, প্ৰদূষণ কমা। অৰ্থাৎ পৃথিৱীৰ ওপৰত চাপ কমা।

ৰতন – বাহ! মিকি। তোমালোকক ইমান ধুনীয়া কথা শিকাইছে বাইদেউগৰাকীয়ে!

প্ৰজন্ম – অহ! আমি পালোহিয়ে বৰতা। এতিয়া আগতে আমি ফ্ৰেছ হ'ম , হোৱাৰ পাছত কিন্তু তুমি মোক ক'ম বুলি কোৱা কথাখিনি কব্বই লাগিব।

(গাড়ী ৰোৱাৰ শব্দ। তিনিও নমাৰ শব্দ। দুৱাৰ খুলি কেওজন সোমোৱাৰ শব্দ। সন্মুখৰ কোঠাত লাইট-ফেন চলি থাকিব।)

ৰতন - অ'! তোমালোকে হ'বলা লাইট - ফেন নুমুৱাবলৈ পাহৰিলা। বৰ দৌৰাদৌৰিকৈ গ'লা নেকি?

মানৱ - এ', মোক এওঁ কৈছিল। মইহে পাহৰি থাকিলো। একো নহয় দে। বিল বেছি নুঠে।

ৰতন - মিকি, এয়া চোৱা। মইযে কৈছিলো, তোমাৰ চাৰিওফালে অপচয়ৰ উদাহৰণ, এইটো এটা।

প্ৰজন্ম- মানে? মই বুজা নাই বৰতা।

ৰতন- তোমালোক সন্ধিয়াতে ওলাই গ'লা। তেতিয়াৰ পৰা এতিয়ালৈ প্ৰায় ৫ ঘণ্টা সময় এই লাইট আৰু ফেন দুয়োটা চলি থাকিল। অথচ, ইয়াত যোৱা ৫ টা ঘণ্টাত লাইট-ফেনৰ প্ৰয়োজন নাছিলেই। মানে, এই সময়খিনিত যিখিনি বিজুলী খৰচ হ'ল - সেইখিনি অদৰকাৰত খৰচ হ'ল! হয়নে? সেইটোৱেই অপচয়। এনেকৈ যদি ১০ ঘৰ বা ১০০ ঘৰ মানুহে অবাবত ৫ ঘণ্টাকৈ বিজুলী খৰচ কৰি থাকে, কিমান শক্তি অযথা খৰচ হ'ব কোৱাচোন! অথচ, আমাৰ ইয়াত , এতিয়াও এনেকুৱা কিছুমান ঠাই আছে, য'ত মানুহৰ ঘৰত বিজুলীৰ সংযোগ নাই। লাইট -ফেনৰ চুইচ কেইটা যোৱাৰ সময়ত বন্ধ হৈ আছে নে নাই, সেইটো তুমিও চাব পাৰা মিকি, হয় নে?

প্ৰজন্ম – অ' হয়তো! ছৰী দেই বৰতা। এতিয়াৰ পৰা মই এনেকুৱা হ'বলৈ নিদিও। এতিয়া মুখ ধোঁওগৈ। আৰু ১০ মিনিট পাছত, তুমিও ৰেডী হৈ যোৱা কিন্তু।

(আবহ সংগীত) দৃশ্যান্তৰ

প্ৰজন্ম – বৰতা, আহিলা নে? এতিয়া কোৱা। বস্তুৰ অপচয় – ক'ত হ'ল?

ৰতন – (হাঁহি) তোমাৰ দেখোন ততেই নোহোৱা হ'ল। ব'লা, আমি তোমালোকৰ বাৰান্দাত বহিম।

প্ৰজন্ম – কিয়, ইয়াতেই বহোঁ। ইয়াত এচি আছে। টিভিটোও চলাই থ'ব পাৰিম।

ৰতন – বাহিৰত বেছ শীতল বতাহ এজাক বলিছে, তোমালোকৰ কাষতে পাহাৰখন আছে বাবেই ছাগে! গতিকে, বাহিৰৰ প্ৰাকৃতিক এচিটো থাকোতে, ভিতৰত ইমান বিজুলী খৰচ কৰাৰ দৰকাৰ কি? আৰু আমি কথাহে পাতিম, টিভি চাম জানো? নে তুমি চাবা?

প্ৰজন্ম – ওহোঁ, মই নেচাওঁ। মই তোমাৰ কথাহে শুনিম।

ৰতন – তেন্তে টিভিটো কিয়নো লগাব লাগে? আমি যদি কোনেও নেচাৱেই? এইবোৰো অপচয়।

প্ৰজন্ম – অ'! বুজিছো বুজিছো। প্ৰয়োজন নোহোৱাকৈয়ে যদি আমি কিবা এটা বস্তু ব্যৱহাৰ কৰোঁ, সেয়া অপচয়।

ৰতন – এইয়া! তুমি ধৰিব পাৰিছাই।

প্ৰজন্ম – কিন্তু বিয়াঘৰত কি অপচয় হ'ল বৰতা? সৱবোৰতো মানুহে খোৱা বস্তু- খাইছেও মানুহে। নষ্ট হ'ল ক'ত? অপচয় ক'ত হ'ল? সৱেই তো দৰকাৰী – মই আইচক্ৰীম ভাল পাওঁ, খালো। চিকেন ললিপপ আৰু চাউমিন ভাল পাওঁ। মায়ে ৰুমালি ৰুটি খালে। তেন্তে?

ৰতন – আজিৰ বিয়াখনত মুঠতে কিমান পদ বস্তু আছিল – তুমি চাইছিলা নে? মুঠ ৩০-৩৫ বিধ ব্যঞ্জন। তোমাৰ আইচক্ৰীম, আমাৰ মিঠা দৈ। এটাও নোখোৱাৰ বাবে টেঙা দৈ। তিনি-চাৰিবিধ মাছ, মাংস। এতিয়া মোক কোৱা – এজন মানুহে এইবোৰ সৱ খোৱা সম্ভৱ নে? নহয়। তুমি মই গোটেই দিনটো বহি খাই থাকিলেও শেষ কৰিব নোৱাৰিম। ইয়াৰে প্ৰতিবিধেইটো যিমান  মানুহ মতা হৈছে, সিমানজনৰ জোখাৰে ৰন্ধা হৈছে। অৰ্থাৎ প্ৰতিপদ বস্তু, যিমান মানুহে নাখালে, সিমান পৰিমাণ নষ্ট হ'ল বা থাকি গ'ল। সেইখিনি ৰান্ধোতে লগা উপকৰণবোৰ অযথা ব্যৱহাৰ হ'ল। শক্তি ব্যয় হ'ল। হয়নে? অথচ, তাতকৈ আধাতকৈয়ো কম ব্যঞ্জনেৰেও অতিথিক খুৱাব পৰা গ'ল হয়, হয়নে?

প্ৰজন্ম – অ! হয় তো। মানুহবোৰে প্লেটত বস্তু লৈ লৈ খাব নোৱাৰি এৰিও দিয়া দেখিছিলো।

(তেনেতে মানৱ আহে)

মানৱ – বুইছা মিকি, তোমাৰ বৰতাই আগৰে পৰা খোৱা বস্তু নষ্ট হ'লে বৰ বেয়া পায়। খেতিত যে কিমান কষ্ট কৰিব লাগে, সেয়া তেওঁহে জানে।

ৰতন – অকল খেতিত কৰা শ্ৰমখিনি অথলে যোৱাই নহয়, এনেকৈ পেলাই দিয়া খোৱা বস্তুত আমাৰ পৃথিৱীখনৰ পৰাই শস্যই গ্ৰহণ কৰা সম্পদবোৰ নিহিত হৈ থাকে। গতিকে, খাদ্য নষ্ট মানে, এই সকলোবোৰ নষ্ট হোৱা । মানুহ যিমানে বাঢ়িছে, মানুহৰ পেট ভৰাবলৈ লগা খাদ্যৰ পৰিমাণ বাঢ়িছে। গতিকে খেতি-মাটিৰ ওপৰত হেঁচা বাঢ়িছে। কিন্তু আজিৰ পৰা কেইটামান দশকৰ আগতে এই প্ৰৱণতাবোৰ কম আছিল। তোমাৰ দেউতাৰাক সোধাচোন, তোমাৰ সমান হৈ থাকোঁতে তেওঁ খোৱা বিয়াবোৰত কি খুৱাইছিল।

প্ৰজন্ম – কোৱানা দেউতা!

মানৱ – আমি সৰু থাকোতে? গাঁৱৰ কাৰোবাৰ ঘৰত বিয়া বুলিলেই আমাৰ মনবোৰ ভাল লাগি যায়। গৰম গৰম ভাত, বতৰৰ পাচলিৰে এখন মিহলি ভাজি, যাক আমি লাব্ৰা বুলিও কওঁ, ধুনীয়াকৈ পাঁচফোৰণ দি তেল মৰা দাইল এখন- এই দাইলখনৰ বাবেই আমাৰ আগ্ৰহ বেছি কাৰণ গাঁৱৰ সচৰাচৰ মানুহৰ ঘৰত নিয়মীয়াকৈ দাইল খোৱাৰ প্ৰথা তেতিয়া নাছিলেই। আৰু লগত মাছৰ ভজা এটুকুৰা বা পঠা মাংসৰ পাতলীয়া জোল এখন। অলপ বেছি অৱস্থাপন্ন কেইঘৰে যেনিবা দৈ-মিহিদানাও খুৱাইছিল। মাজতে এসময়ত আকৌ লুচি, বুটৰ দাইল, বিলাহীৰ অম্বলোগ চলিছিল বিয়াত। সকাম নিকামত মাছৰ মূৰেদি খাৰ, মাছৰ জোল আৰু মাটি মাহৰ আঞ্জা। সিমানেই। আৰু বিয়া-সকাম বুলিলে ৰন্ধা বস্তু ৰৈতো যায়েই। সেইখিনিও, ওচৰ-চুবুৰীয়া,  একেবাৰে দুখীয়া, কাম-কৰি খোৱা মানুহ, ভিক্ষাৰীক মাতি বিলাই দিয়া হয়, যাতে নষ্ট নহয়।

প্ৰজন্ম – ইচ্! ইমান বেলেগ আছিল ! আজিকালি চোন সেইবোৰ বস্তু নিদিয়েই। আমি যে হোটেলত বা ৰেস্তোৰাত খাব যাওঁ, তেনেকুৱা বস্তুবোৰহে খাবলৈ থাকে বিয়াত। আৰু সৱতে যে টেষ্টবোৰ একে একে।

ৰতন – বাৰু, সেইবোৰ এতিয়া এৰা। এতিয়া বহু পৰ হ'ল। শোওঁগৈ ব'লা। ময়ো পুৱা সোনকালেই ঘৰলে যামগৈ।

প্ৰজন্ম – অ' দেউতা, আমিও যাও ব'লানা। মোৰতো বন্ধ। প্লিজ বলানা যাওঁ।

প্ৰজন্ম – মা, মা, প্লিজ, কাইলৈ বৰতাৰ ঘৰলৈ যাওঁ ব'লানা। তোমাৰোতো চেমিষ্টাৰৰ বন্ধ।

ৰতন- পাৰিলে ওলোৱা নহ'লে। এওঁলোকেও ভাল পাব। আমাৰ বাবায়ো মিকিৰ কথা কৈয়ে থাকে।

আকাংক্ষা – অ', যাবতো পাৰিয়েই। দুদিন থাকি আহিলে আমাৰো মুকলি মুকলি লাগিব। ঠিক আছে।

প্ৰজন্ম (উৎফুল্লিত হৈ) – য়েছ, য়েছ – বঢ়িয়া! আমি কাইলৈ বৰতাৰ ঘৰলৈ যাম। মই যাওঁ, শুই থাকোতেই। একদম ৰাতিপুৱাই যাম কিন্তু মা! গুড নাইট বৰতা !

(তিনিও হাঁহে। অ' কে – গুডনাইট আদি উত্তৰৰ মিশ্ৰিত ভাৱে ভাঁহি আহিব।)

(দৃশ্যান্তৰ)

(ৰাতিৰ শব্দ বাজে কিছুপৰ। লাহে লাহে পুৱা হোৱাৰ সংগীত। ইফাল সিফাল কৰা, কেওজনে যাবলৈ বয় বস্তু সাজু কৰা আদিৰ পৰিৱেশ)

মানৱ – হেৰা, আমি যে এতিয়া ওলাই যাম, দীপা আহিলে দিগদাৰ নহ'ব? তাইকতো কোৱাও নহ'ল।

আকাংক্ষা- নাই, তাই এনেও নাহে আজি। ল'ৰাটোক নিয়মীয়া ইনজেকচন দিবলৈ নিয়াৰ কথা। কালিয়েই কৈ গৈছে। আজিকালি ইহঁতবোৰেও জনা হৈছে, চৰকাৰী হস্পিতালত বেজীকেইটা দিয়াবলৈ নিয়ে নিজৰ ল'ৰা-ছোৱালীক।

প্ৰজন্ম – কিয় মা? আগতে ইনজেকচন নিদিছিল? ইনজেকচন দিয়াটো নতুন কথাটো নহয়?

আকাংক্ষা- ইনজেকচনৰ কথা পিছত। আগতে, তুমি ৰেডী হোৱা, আমি গাড়ীত বহোঁ, তাৰ পিছত। নহ'লে তোমাৰ খোৱা বস্তু মুখতে ৰৈ যাব।

ৰতন – কি মিকি? ৰেডী হোৱা নাই? খৰধৰ কৰা। নহ'লে কিন্তু তোমাক এৰি থৈ যাম। (হাঁহে)

প্ৰজন্ম – য়েছ! মোৰ হৈ গ'ল। ব'লা, ব'লা ।

(আটায়ে গাড়ীত বহিব। গাড়ী ষ্টাৰ্ট হৈ চলাৰ শব্দ)

প্ৰজন্ম – ওঁ, মা, কোৱা এতিয়া। তুমি ইনজেকচনৰ কথা কি কৈছিলা? আগতে ইনজেকচন নাছিল নেকি? সৰে, মানে দীপা মাহীৰ নিচিনা কাম কৰি খোৱা মানুহবোৰে ইনজেকচন, চিকিৎসা এইবোৰৰ কথা নাজানিছিল?

আকাংক্ষা – সুবিধাবোৰ আছিল যদিও বেছি ভাগেই নাজানিছিল আৰু জনাখিনিৰো বহুতেই মন নকৰিছিল।   কিন্তু, লাহে লাহে কথাবোৰ সলনি হৈছে। মানুহে চৰকাৰী চিকিৎসালয়ত গৈ ডাক্তৰৰ পৰামৰ্শ ল'ব পৰা হৈছে। সেয়ে, মানুহৰ বিশেষকৈ, সৰু ল'ৰা-ছোৱালীৰ মৃত্যুৰ হাৰ কমিছে।

ৰতন – তুমি বাৰু পৃথিৱীৰ প্ৰথম ভেকচিনটোৰ কথা জানানে মিকি?

প্ৰজন্ম – জানোতো, এডৱাৰ্ড জেনাৰ। স্মলপক্সৰ ভেকচিন। গৰুত হোৱা বসন্ত ৰোগৰ পৰা।

ৰতন – বঢ়িয়া। এই আৱিস্কাৰ আৰু ঠিক এনেকুৱা এটা অন্য আৱিস্কাৰে, পৃথিৱীৰ চিকিৎসাবিজ্ঞানৰ ইতিহাসকে নহয়, সমাজ-অৰ্থনীতিকো প্ৰভাৱিত কৰিছে। সেইটো হ'ল পেনিছিলিনৰ আৱিস্কাৰ। ১৯২৮ চনত।

প্ৰজন্ম – ইচ! এইটোও জানো, আলেকজেণ্ডাৰ ফ্লেমিঙে আৱিস্কাৰ কৰে। কিন্তু, ই মেডিকেল চায়েন্সক প্ৰভাৱিত কৰিলে , ঠিকেই, কিন্তু সমাজক কেনেকৈ?

ৰতন – এইটো বৰ ইণ্টাৰেষ্টিং কথা। আচ্ছা কোৱাচোন। এই যে তোমালোকে, ইফালে সিফালে গ'লে ট্ৰেফিক জাম পোৱা, সেয়া কিয় পোৱা?

প্ৰজন্ম – কাৰণ, ইয়াত গাড়ী বেছি। দিনে দিনে মানুহো বাঢ়িছে।

ৰতন – সেইটোৱেই কথা। মানুহ বেছি। মানুহ কেৱল তোমাৰ চহৰতে নহয়, গোটেই পৃথিৱীতে বাঢ়িছে। আৰু এই মানুহ বঢ়াৰ লগে লগে আমি ব্যৱহাৰ কৰা গাড়ী-মটৰৰ সংখ্যা, খাদ্যৰ পৰিমাণ, পেট্ৰল-ডিজেল-বিজুলী আদি শক্তিৰ ব্যৱহাৰ, সব বাঢ়িছে। আৰু এই বৃদ্ধিৰ, অৰ্থাৎ জনসংখ্যা বৃদ্ধিৰ প্ৰক্ৰিয়াত পেনিছিলিন, বৰ আইৰ ভেকচিন, আদিৰ দৰে চিকিৎসা বিজ্ঞানৰ আৱিস্কাৰবোৰৰ এক মুখ্য ভুমিকা আছে। ১৯২৮ চনত পেনিছিলিন আৱিস্কাৰ আৰু ১৯৩৯-৪০ চন মানৰ পৰা পেনিছিলিনৰ এণ্টিবায়টিক হিচাপে ব্যৱহাৰৰ আগলৈকে, সাধাৰণ কটা-ঘাঁ, আঘাত আদিতো বীজাণুৰ সংক্ৰমণ হৈ মানুহৰ মৃত্যু হৈছিল। কিন্তু পেনিছিলিনৰ আৱিস্কাৰৰ সময়ৰ পৰা, আৰু প্ৰায় সমান্তৰালকৈ, চিকিৎসাবিজ্ঞানলৈ অহা উন্নতিৰ পৰা, মানুহৰ মৃত্যুৰ হাৰ কমিবলৈ লয়। লক্ষণীয় ভাৱে, পৃথিৱীৰ জনসংখ্যা বৃদ্ধিৰ যি তথ্য, সেই তথ্যৰ পৰা অংকিত গ্ৰাফতো পৃথিৱীৰ জনসংখ্যাৰ বৃদ্ধিৰ দ্ৰুত হাৰ আৰম্ভ হোৱাৰ সময়ৰ সতে, পেনিছিলিনৰ আৱিস্কাৰ হোৱা সময়খিনি প্ৰায় সমসাময়িক।

আকাংক্ষা- ৰ'বা, মিকি, তোমাক মই এই গ্ৰাফখন গুগলত বিচাৰি উলিয়াই দেখুৱাও। - চোৱা। এয়া। এইখন গ্ৰাফত আমাৰ এতিয়ালৈকে কোৱা জনসংখ্যা বৃদ্ধিক দেখুৱা হৈছে। অষ্টাদশ শতিকাত পৃথিৱীৰ জনসংখ্যা ১ বিলিয়ন হোৱাৰ বিপৰীতে, মাত্ৰ এটা শতিকাতে, ইয়াৰ সংখ্যা হয়গৈ ২ বিলিয়ন। কিন্তু,

তাৰ পিছত, এয়া চোৱা, ১৯২৭ চনৰ পৰা ১৯৬০ চন, অর্থাৎ মাত্র ৩০-৩৩ বছৰত আমাৰ জনসংখ্যা হয়গৈ ৩ বিলিয়ন। অন্যহাতে, পেনিছিলিন আৱিস্কাৰ হয়, কিমান চনত- ১৯২৮ চনত। অর্থাৎ এইখিনি সময়তেই জনসংখ্যা বাঢ়িবলৈ লয়। বুজিছা নে মিলটো?

প্রজন্ম – অ’, হয়তো।

ৰতন – এতিয়া, জনসংখ্যা বাঢ়িল। বেছি মানুহ থাকিবলৈ বেছি ঠাই লাগিল। খাবলৈ অধিক আহাৰ। গতিকে, আগৰ হাবি-বননি ভাঙি বসতি পতা হ’ল। খেতিত উৎপাদন বঢ়াবলগা হ’ল। ভাৰতৰ দৰে দেশত, আৰু আন আন ঠাইতো সেউজ বিপ্লৱৰ সূচনা হ’ল। ভাৰতত সেয়া স্বাধীনতাৰ পিছৰ কাহিনী। ষাঠিৰ দশকৰ কাহিনী।

মানৱ – মানে ভাৰতে খাদ্যৰ বাবে আন দেশৰ ওচৰত হাত পাতিব লগীয়া হোৱাৰ পৰা স্বাৱলম্বী হোৱালৈকে পৰিক্রমাৰ কাহিনী। তোমাক মই এদিন কৈছিলো- এম এছ স্বামীনাথনৰ বোলা বিজ্ঞানীজনৰ কথা। তেওঁ ভাৰতত সেউজ বিপ্লৱৰ গুৰি ধৰিছিল।

ৰতন – সেউজ বিপ্লৱৰ ফলত শস্যত উন্নত জাতৰ সাৰ ব্যৱহাৰ আৰম্ভ হ’ল। মাটিত ৰাসায়নিক সাৰ, কীট-পতংগনাশক আদি প্রয়োগ কৰি মাটিৰ উর্বৰতা বৃদ্ধি, ৰোগ-কীট দূৰীকৰণেৰে উৎপাদন সুনিশ্চিত কৰাৰ প্রক্রিয়া ব্যাপক হ’বলৈ ল’লে। ইপিনে, খেতি কৰা মাটিৰ প্রয়োজন বাঢ়ি গৈ থাকিল, অৰণ্য কমিবলৈ ল’লে। যিবোৰ অঞ্চলত ঝুম খেতি আছিল, সেইবোৰত, আগতে যদি এটুকুৰা মাটি দুবছৰ খেতি কৰি, ১০ বছৰ পেলাই থোৱা হৈছিল, এতিয়া এবছৰ বা দুবছৰহে পেলাই থৈ আকৌ খেতি কৰিবলগীয়া পৰিস্থিতি হ’ল। কল-কাৰাখানাবোৰো বাঢ়িল। মানুহৰ চাহিদা বাঢ়িল। অধিক উৎপাদনৰ আশাত, কৃষকে মাটিত অতিমাত্রা সাৰ, লগাতকৈ বেছি কীট-পতংগনাশক প্রয়োগ কৰিবলৈ ধৰিলে।

প্রজন্ম – কিন্তু, ইমানবোৰ মানুহক খাবলৈতো লাগিবই। গতিকে, সাৰটো দিবই লাগিব।

ৰতন – চোৱা মিকি, তোমাক যদি এতিয়া মই কওঁ, তুমি দহখন ৰুটি খাবই লাগিব, তোমালৈ দহখন ৰুটি আছে, তুমি খাব পাৰিবা নে? তুমি কেইখন ৰুটি খাব পাৰা? দুখন বা তিনিখন? বাকীকেইখন? পেলনি যাব? বা বেলেগে খাব লাগিব?

প্রজন্ম – অ’, হয়তো।

ৰতন – কথা সেইটোৱেই। মাটিৰ পৰা গছেও বা শস্যইও নির্দিষ্ট পৰিমাণৰ পোষক দ্রব্যহে গ্রহন কৰিব পাৰে। তাতকৈ অতিৰিক্তভাৱে প্রয়োগ কৰা সাৰখিনি কাষতে থকা পুখুৰী, বিল, হ্রদ, নদী বা মাটিৰ তলত থকা পানীভাগলৈ গুচি যায়। অথবা অপতৃণই সেইবোৰ শোষণ কৰি লহপহকৈ বাঢ়ি আহে। মানে, সেইখিনি সাৰ প্রস্তুত কৰোঁতে, যিমান শক্তি বা কেঁচামাল ব্যৱহাৰ হৈছিল, সৱ অথলে গ’ল! কীটনাশকৰ ক্ষেত্রত কথাবোৰ আৰু বিপদজনক। অতিৰিক্ত কীটনাশকখিনি যেতিয়া পৰিৱেশত ৰৈ যায়, কীট-পতংগবোৰে, সেইবোৰৰ বিপৰীতে নিজৰ দেহত প্রতিৰোধ ক্ষমতা গঢ়ি তোলাৰ সুবিধা পায়।

তেতিয়া, সেইবিধ কীটনাশকৰ দ্বাৰা, সেইজাতৰ কীট নিয়ন্ত্ৰণ কৰিব নোৱাৰা হৈ পৰে। আকৌ নতুন কীটনাশক বাছিব লগা হয়!

প্ৰজন্ম - মানে আমাৰ হাতত বিজ্ঞানৰ সহায়ত উৎপাদিত ৰাসায়নিক সাৰ আছে, কীটনাশক আছে; কিন্তু আমি সেইবোৰ জধে মধে ব্যৱহাৰ কৰি সমস্যাবোৰ সৃষ্টি কৰিছো? হয় নে বৰতা? আৰু অপচয়ো কৰিছো।

ৰতন - সেইটোৱেই মূল কথা। একেদৰে, এই যে তুমি স্কুল বাছৰ ঠাইত নিজৰ গাড়ীতেই স্কুললৈ যোৱা, ঘৰৰ এচিটো, ফেনখন, টিভিটো কাৰণে-অকাৰণে চলাই থোৱা, তোমাৰ মাৰা বা দেউতাৰাই, তোমাৰ লগতে নিজৰো, দৰকাৰী কাপোৰ-জোতা কেইসাজ থকাৰ পাছতো, দেখি ভাল লাগিল বাবে, কাৰোবাৰ ঘৰত বিয়া এখন খাবলৈ যাব লাগিব বাবে, আকৌ নতুনকৈ কাপোৰ দুসাজ লয়, এই সকলোবোৰ আমি কৰা মাত্ৰাধিক ব্যৱহাৰৰ উদাহৰণ।

আকাংক্ষা - হয় দেই, দাদা। কথাষাৰ ময়ো আজিহে ভাৱিছো ভালদৰে।

মানৱ - এহ! কথা শুনি শুনি আহি চোন দাদাহঁতৰ ঘৰৰ সন্মুখ পালোহি ! গমেই নাপালো কিমান সময় পাৰ হৈ গ'ল!

(গাড়ী ৰয়। ভিতৰৰ পৰা সুৰুয আৰু সেউতী ওলাই আহে। সৱৰে মাজত স্বাভাৱিক আদৰণি, ভাল-বেয়া কথোপকথন চলাৰ শব্দ। কেওজন ভিতৰলে যায়।)

সেউতী- মানৱ, বহা। ন-ছোৱালী- তুমিও বহা। মিকি বাবা- বহা আকৌ। নে আমাৰ বাবাৰ লগত এতিয়াই খেলিবলৈ যাবৰ মন?

আকাংক্ষা - অ' বাইদেউ! আপোনাৰ হাতৰ কামবোৰ দেখিলেই মনটো ভাল লাগি যায় অ'! ইমান ধুনীয়াকে থয়। এই বিছনাচাদৰ খন ইমান ভাল লাগিছে। কুচন কেইখনো।

সেউতী - এহ! এইবোৰচোন সৱ পুৰণা, জোৰা লগোৱা বস্তু। বিচনাচাদৰখনত আগৰ তিনিখন বিচনা-চাদৰ আৰু শাৰীৰ পাৰী একেলগে চিলাইছো। এনেয়ে পেলাবলৈ মন নাযায়চোন বস্তুবোৰ। শাৰীখন ফিচিকিচিল, পাৰীটো ইমান ভাল হৈ আছে। গতিকে, বিচনাচাদৰৰ চাৰিওফালে ডিজাইন কৰি দিলো। কুচন কভাৰ কেইটাও, ইটো-সিটো কাপোৰ, গামোচা-চাদৰ আদিৰ সৰু সৰু টুকুৰা কাটি কাটি চিলাই কৰাহে!

প্ৰজন্ম - মানে, বৰমা, তুমি এই সৱ পুৰণা কাপোৰ অপচয় হোৱাৰ পৰা বচাই দিলা? বাহ! কি বঢ়িয়া আইডিয়া! মা, দেখিছা! তুমিচোন, অলপ মান বেয়া হ'লেই নতুন বিচনাচাদৰ পাৰি দিয়া। বৰমাৰ ইমান বুদ্ধি আছে!

সেউতী - নহয় অ' মিকি বাবা! মাৰাৰ চোন সময়েই নাই।

মানৱ – বৰমাৰ বুদ্ধি আৰু দেখি থাকিবা তুমি মিকি। গোটেই ঘৰটোতে এনেকুৱা আৰু বহুত বস্তু আছে, যিবোৰ ব্যৱহাৰ কৰি নষ্ট হোৱা, আৰু ব্যৱহাৰ নোহোৱা বস্তুৰ পৰা তৈয়াৰী। যেনে সৌ ফুলদানীটো, তুমি বহা মূঢ়াত থকা কুচনখন, বৰমাৰ পাকঘৰত বয়-বস্তু থোৱা টেমাবোৰ। সৱ!

ৰতন – বাৰু, বাৰু। এইবোৰ পিছত পাতিবা। আগতে আমি জা-জলপান খাব লাগে আটায়ে। মুখ-হাতবোৰ ধুই ল'বা ব'লা।

সেউতী – অ' ব'লা। তোমালোকক খুৱাই-বুৱাই ময়ো আজৰি হওঁ। আমাৰ আত্মসহায়ক গোটৰ মহিলাখিনিও আহি পাবৰ হ'ব। তেওঁলোকৰ সতে মই ব্যস্ত হ'ব লাগিব কিছুপৰ।

সুৰুয – মিকি, আমাৰ দেউতাই নহয়, বাৰীত কেইটামান ইণ্টাৰেষ্টিং বস্তু আনি থৈছে। মই তোমাক দেখুৱাবলৈ নিম হা। আগতে আমি খাই লওঁ।

(চাহ-জলপান খোৱাৰ গুণগুণনি। খায় হয়)

প্ৰজন্ম – বৰতা, তোমাৰ বাৰীত কি আছে। মোক বাবাই কৈছে নহয়। ব'লা মোক দেখুৱাবা।

মানৱ – অহ! তুমি বৰতাক অলপ জিৰাবলৈকো নিদিবা নেকি মিকি?

ৰতন – (হাঁহি) একো নহয়, ব'লা। বেছিপৰ নালাগেই। (কেওজন যায়।)

প্ৰজন্ম – আৰে, এইবোৰ কি? এই জাবৰ-জোঁথৰবোৰ এনেকৈ চাঙৰ তলত, বাঁহেৰে টেংকি সাজি কিয় ৰাখি থৈছা বৰতা?

ৰতন – এয়া হ'ল কেঁচুসাৰ। এই চোৱা, এইবোৰ কেঁচু। এতিয়া কেঁচুবোৰে তুমি দেখা এই জাৱৰ-জোঁথৰবোৰক ভাঙি, পচাই, সাৰলৈ সলনি কৰিব। আৰু সেই সাৰ মই খেতিত দিম। অৰ্থাৎ মোৰ বাৰীৰ জাৱৰ-জোঁথৰ খিনি ব্যৱহাৰ কৰিলো, কৰি, খেতিত লগা ৰাসায়নিক সাৰৰ পৰিমাণ হ্ৰাস কৰিলো ; মোৰ পইচাও ৰাহি হ'ল; ৰাসায়নিক সাৰৰ প্ৰয়োজনো সামান্য হ'লেও কমিল। অকল বাৰীৰ জাৱৰ জোঁথৰেই নহয়, পাকঘৰৰ শাক-পাচলিৰ বাকলি, বৈ যোৱা ভাত, কণীৰ চোকোৰা, চাহপাত – সৱবোৰ মই ইয়াত নহলে পিছফালে থকা পচনসাৰৰ গাতত পেলাই দিও। এইবোৰ আৰু বাৰী ঘৰ লেতেৰা কৰিবলৈ নেথাকে, বৰঞ্চ মোৰ বাবে সম্পদ হৈ পৰে। আৰু এইপিনে চোৱা। এইবিলাক।

প্ৰজন্ম – কি এইবিলাক? হালধীয়া হালধীয়া কাগজ খিনি কিয় লগাই থৈছা বৰতা?

মানৱ – বাহ! আঠালগা ফান্দ! এই যে হালধীয়া কাগজখিনি মিকি, তাত আঠা লগোৱা আছে। হালধীয়া ৰঙে পোক-পৰুৱাক আকৰ্ষণ কৰে। ফলত কাগজলৈ উৰি অহা অপকাৰী পোক-পৰুৱা তাত থকা আঠাত বান্ধ খাই যায়। মানে, সিহঁতৰ সংখ্যা কমি গ'ল।

ৰতন – আৰু কি জানা মিকি, মই আমাৰ বাৰীত চৰাই-চিৰিকতি, শালিকা, মকৰা আদি বোৰ হোৱাত অলপো বাধা নিদিও। শালিকা আদিয়ে পোক-পৰুৱা খাই বাৰীখন মুক্ত কৰি ৰাখে। মকৰায়ো। মাজে

মাজে নিমপানী আদিও ছটিয়াও। আৰু এই দেখিছা, চাৰিওফালে নাৰ্জীফুলৰ গছ। এইবোৰৰ বাবে মই বাৰীত কীটনাশক নিদিলেও হয়।

সূৰুয – দেউতাই আজিকালি, মৌবাঁহো পুহিছে জানা মিকি। চোৱা, সৌৱা।

প্ৰজন্ম – অ! বাহ, তোমালোকে মৌ খাবলৈও পাবা। ফ্ৰেছ ফ্ৰেছ।

ৰতন – অকল মৌ খাবলৈ নহয় মিকিবাবা। মৌ বাঁহ থকা মানে মোৰ খেতি পথাৰত শস্যৰ যিটো পৰাগসংযোগ হোৱাৰ প্ৰক্ৰিয়া, সেয়াও ভাল হয়। তেতিয়া উৎপাদন বাঢ়ে। এয়া চোৱা, মোৰ বাৰীৰ ঢাপত এইবোৰ ৰহৰ মাহৰ গছ। মাজে মাজে আৰু কিবাকিবি মাহগছো ৰোও মই। ৰুই, সেইবোৰ শিপাৰে সতে মাটিত মিহলাই দিও। ইয়ে, মাটিত নাইট্ৰ'জেন যোগান ধৰে।

সূৰুয – মানে আমি পঢ়া, ৰাইয'বিয়াম বেক্টেৰিয়া! যিবোৰ মাহজাতীয় শস্যৰ শিপাত থাকে! আমাৰ বিজ্ঞানৰ কিতাপৰ কথাবোৰ দেউতাই কেনেকৈ এপ্লাই কৰে দেখিছা মিকি!

প্ৰজন্ম – হয়তো। মোৰ যে এইবাৰৰ চামাৰ প্ৰজেক্টটো কি ইণ্টাৰেষ্টিং কৰি লিখিব পাৰিম! কিমান কথা শিকিলো মই, দেউতা।

মানৱ – বাৰু, লিখিবা। দুখনমান ফটো লৈ থোৱা আকৌ। তেতিয়া আৰু ভাল লাগিব। আৰু ফটো লৈ ব'লা, ভিতৰলৈ যাওঁ। গৰম পৰিছে। বাৰীৰ কল-মধুৰী চোবাই চোবাই অলপ জিৰণি ল'বা ব'লা।

প্ৰজন্ম- য়েছ। ঘৰত যে এনেকুৱা তাজা ফল-মূল নায়েই খাবলে। ভাল নালাগে। মই ডাবৰ পানীও খাম কিন্তু বৰতা। চহৰত খালি পেকেটৰ ভজা চিপচ, কলড ড্ৰিংক।

মানৱ – আৰু সেই চিপচ, কলড ড্ৰিংকৰ খালি পেকেট ভৰা ডাষ্টবিন, নলা। এই পেকেটবোৰত কিমান জাৱৰ ওলায়, দেখিছা? সৱফালে ভৰ্তি। সেইবোৰ পচিও নাযায় সোনকালে। ফলত নলা বন্ধ। আৰু এজাক বৰষুনতে পানী যাব নোৱাৰি, ৰাস্তাত পানী উঠে।

প্ৰজন্ম – ইচ, হয় দেই। এইবোৰ যে চিপচ, নুডলছ, কলড ড্ৰিংকচ খাওঁতে হয় আজিলৈ ভবাই নাই। এতিয়াৰ পৰা সৱ কমাই দিব লাগিব।

(বাৰীৰ পৰা ওলাই ভৰি হাত ধুওতে মানৱৰ চকুত পৰে পুখুৰী এটা)

মানৱ – অ' দাদা! এইটো চোন নতুনকৈ দেখিছো। মাছ দিছ?

ৰতন – নাই দিয়া! চা চোন ভালদৰে, ইয়ালৈ পানী ক'ৰ পৰা আহিছে? পুখুৰীত লাইনিং দিয়াও আছে।

মানৱ – আৰে, বাহ! ৰেইনৱাটাৰ হাৰ্ভেষ্টিং! তই ইমান নতুন নতুন চাৰপ্ৰাইজ দিছ আজি।

প্ৰজন্ম – মানে দেউতা?

মানৱ – এয়া চোৱা, বৰতাৰ ঘৰৰ চালত যিমান বৰষুণৰ পানী পৰে, সেই পানী আহি এই লাইনিং লগোৱা পুখুৰীত পৰে। জমা হৈ থকা এই পানী বাৰীৰ কামত বা অন্যান্য আনুষংগিক কামত ব্যৱহাৰ কৰে। মানে, মেচিন চলাই তুলিব লগা পানীৰ পৰিমাণ কমি যায়। বৰষুণ বেছি হ'লে, চাৰিওফালে পানী জমা হোৱাৰ সমস্যাটোও হ্ৰাস হয়।

ৰতন – মাজতে বহু দিন বৰষুন নহ'লে এই পানী মই খেতিতো দিব পাৰো নহয়।

প্ৰজন্ম – বাহ! কি মজ্জা! বৰতা, আৰু কোনো কথা নাই, তুমি এতিয়াই পুখুৰীৰ কাষত থিয় দিয়া। মই তোমাৰ আৰু তোমাৰ বৰষুণ ধৰি ৰখা পুখুৰীৰ ফটো লওঁ।

(এনেতে আকাংক্ষাই মাত দিয়ে ভিতৰৰ পৰা)

আকাংক্ষা – মিকি বাবা, আহাচোন এইফালে। সেউতী বৰমাই আৰু কি কি কৰিছে চোৱাহি।

(ঘৰৰ এফালে থকা বহল ঘৰ এটাত কেইবাগৰাকী মহিলাই লাহে লাহে কথা-বতৰা কৈ থকাৰ শব্দ। আকাংক্ষাৰ সতে প্ৰজন্মকে ধৰি কেওজন আহে।)

প্ৰজন্ম – আৰে, এইবোৰ চোন ইমান পলিথিন। প্লাষ্টিকৰ বটল, টেমা। কি কৰিবা বৰমা? আৰু এইবোৰ কি?

সেউতী – এই পলিথিন, প্লাষ্টিকৰ বটলেৰে আমি আজিকালি ফুলদানী বা তেনেকুৱা ঘৰ সজোৱা সামগ্ৰী তৈয়াৰ কৰোঁ। এইটো আমাৰ গোটৰ কাম। আৰু এইবিলাক যে দেখিছা, এইবোৰ পানী মেটেকা, কলগছৰ আঁহ। ইয়াৰে আমি বেগ তৈয়াৰ কৰোঁ, কুচন, কাৰ্পেট, পা-পোছ সৱ। তৈয়াৰ কৰি বিক্ৰী কৰোঁ। আমাৰ ইয়াত আকৌ পানী মেটেকাই পথাৰ-পুখুৰী সৱ চানি নষ্ট কৰি থয়। গতিকে, তাৰ পৰা পানী মেটেকাৰ গছবোৰ তুলি আনিলে, সেইবোৰো পৰিস্কাৰ হৈ থাকে। আমি এইবোৰ কম খৰচতে সংগ্ৰহ কৰোঁ, কৰি এনেকৈ তাক কামত অহা বস্তুলৈ সলাওঁ।

আকাংক্ষা – মানে মূল্য সংযোজন। আৰু চাৰিওফালে থকা সম্পদৰ যথাযথ ব্যৱহাৰ। পানীমেটেকাটো এনেয়ে অপতৃণ। কিন্তু তাৰে এইবোৰ বনাই, বৰমা হঁতে উপাৰ্জন কৰিব পাৰিছে। প্লাষ্টিক বা পলিথিনৰ বটলবোৰ এনেয়ে পেলাই চাৰিওফালটো প্ৰদূষিত কৰাতকৈ তাক পুনৰ ব্যৱহাৰ কৰিছে।

প্ৰজন্ম – মানে এই সম্পদবোৰ ভালদৰে ব্যৱহাৰ কৰি, বৰতা-বৰমাহঁতে পৃথিৱীৰ বুকুৰ পৰা আমি উলিয়াই অনা সম্পদ, শক্তিৰ খৰচ, অপচয় আদি কমাবলৈ চেষ্টা কৰিছে?

সূৰুয – বাৰীত ৰাসায়নিক সাৰ কম মানে সাৰৰ চাহিদা কম। মানে কাৰখানাত সাৰৰ উৎপাদন কম হ'লেও হ'ব। বাৰীত কীটনাশক নিদিয়াকৈ পোক নিয়ন্ত্ৰণ – মানে কীটনাশকৰ ব্যৱহাৰ হ্ৰাস আৰু উৎপাদন হ্ৰাস। অৰ্থাৎ শক্তি বাছিল, পৰিৱেশ বাছিল । বৰষুণৰ পানী সংৰক্ষণ মানে অথলে যোৱা পানীৰ পৰিমাণ কম, পানী জমা হৈ কৰা সমস্যা কম।

প্ৰজন্ম – অঁতো। পেকেটত থকা খোৱা বস্তু, কলড্ ড্ৰিংকচৰ ঠাইত সতেজ বস্তু – মানে সেইবোৰ পেকেট কৰোঁতে, বনাওঁতে লগা শক্তিৰ খৰচ কম। প্লাষ্টিকৰ বটল, পলিথিনৰ পুনৰ ব্যৱহাৰ মানে তাৰ পৰা প্ৰদূষণ কম। পানীমেটেকা, কলগছৰ আঁহেৰে নানা সামগ্ৰী তৈয়াৰ – প্লাষ্টিকৰ ব্যৱহাৰ কম। চাৰিওফালে থকা অৱহেলিত সম্পদৰ ব্যৱহাৰ।

মানৱ – অৰ্থাৎ তোমালোকৰ বাবে পৃথিৱীখনৰ সম্পদবোৰ চিৰস্থায়ী হোৱাৰ বাট। প্ৰদূষণে অনা সমস্যা নোহোৱাৰ বাট। শক্তি-সংৰক্ষণৰ বাট। তোমালোকৰ বাবে এখনি ধুনীয়া ধৰণী থাকি যোৱাৰ বাট।

প্ৰজন্ম+ সূৰুয – আৰু আমি সতেজ, সোৱাদলগা বস্তু খোৱাৰ বাট। স্বাস্থ্যবান হৈ দেশৰ ভৱিষ্যত গঢ়াৰ বাট। বুজিছা বৰমা/মা। গতিকে তুমি এতিয়াই আমাক খাবলৈ দিয়া। ইমানবোৰ গধুৰ কথা জানি জানি পেটটোৱে ধৰে খাওঁ খাওঁ মূৰ্তি!

(সমস্বৰে হাঁহে। সংগীত বাজে। শীৰ্ষক গীতৰ তৃতীয় কলি)

প্ৰশ্ন ১- জাৱৰ- জোঁথৰ ব্যৱহাৰ কৰি এবিধ প্ৰাকৃতিক সাৰ তৈয়াৰ কৰিব পাৰি। এই সাৰবিধৰ নাম কি?

উত্তৰঃ কেচোঁসাৰ।

প্ৰশ্ন ২- ঘৰৰ চালত থকা বৰষুণৰ পানী বহু ধৰণে সংৰক্ষণ কৰিব পাৰি। তাৰে এটা অতি সহজ পদ্ধতি কি?

উত্তৰঃ লাইনিং দিয়া খাল বা বাকী টেংকিত ছালৰ পানী জমা কৰাৰ ব্যৱস্থা কৰা।

..........................................................................